# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-11-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

২। অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ কাইলৈৰ পৰা ভাষা গৌৰৱ সপ্তাহৰ আয়োজন।

৩। নিয়ন্ত্ৰণবিহীন জমা আঁচনি নিষিদ্ধকৰণ আইনৰ অধীনৰ গোচৰৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়া সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিসূচনা জাৰি।

৪। ৰাজ্যৰ বিভিন্ন ঠাইত শৰৎ পূৰ্ণিমা উপলক্ষে ৰাসৰ প্ৰস্তুতি।

আৰু

৫। মুম্বাইত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা নিউজিলেণ্ডৰ ভাৰতৰ বিৰুদ্ধে ১৪৩ ৰানৰ অগ্ৰগতি।

০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। ইফালে, বিহালী বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পৱিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলোৱাৰ পাছত সমষ্টিটোত নিৰ্বাচনী তৎপৰতা তুংগত উঠিছে। একেদৰে কাছাৰৰ ধলাই বিধানসভা সমষ্টিত আৰু চিৰাঙৰ চিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। সমষ্টিটোত নিৰ্বাচনী প্ৰস্তুতিৰ বিষয়ে বিতংকৈ জনাবলৈ আমাৰ সংবাদদাতা কুঞ্জমোহন ৰায় –

-বাইট-

চামগুৰি সমষ্টিতো বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোত নিৰ্বাচনী প্ৰস্তুতিৰ বিষয়ে বিতংকৈ জনাবলৈ আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া –

-বাইট-

০০০

অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত কাইলৈৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। অসমীয়া

ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। তদুপৰি ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি অসমীয়া ভাষাৰ লগতে ৰাজ্যৰ অন্যান্য সৰু-বৰ ভাষাৰ বিকাশ-বিৱৰ্তন সন্দৰ্ভত তথ্যপূৰ্ণ আলোচনাৰো আয়োজন কৰা হৈছে। এই আয়োজনৰ এটা প্ৰধান কাৰ্যসূচী হিচাপে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰা হ'ব। ইয়াৰ লগতে অসমীয়াকে ধৰি ৰাজ্যৰ ১৪ টা ভাষাত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

গুৱাহাটীত কাইলৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকল বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত প্ৰতিটো বিভাগৰ পাঁচজনকৈ শীৰ্ষ বিষয়া উপস্থিত থাকিবলৈ কামৰূপ মহানগৰ জিলা আয়ুক্তই নিৰ্দেশ দিছে। ইয়াৰ লগতে জিলাখনৰ প্ৰতিখন চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়ৰ দুজনকৈ শিক্ষক-প্ৰতিনিধিক অনুষ্ঠানটোত উপস্থিত থাকিবলৈ বিদ্যালয় পৰিদৰ্শকে নিৰ্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে কাইলৈৰ উদ্বোধনী অনুষ্ঠানৰ পাছত ৪ নৱেম্বৰৰ পৰা ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে নিজাববীয়াকৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে নিয়ন্ত্ৰণবিহীন জমা আঁচনি নিষিদ্ধকৰণ আইনৰ অধীনৰ গোচৰৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়া সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰিছে। এই অধিসূচনা অনুসৰি নিয়ন্ত্ৰণবিহীন জমা আঁচনি নিষিদ্ধকৰণ আইনৰ অধীনত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই তদন্ত চলাই থকা গোচৰসমূহৰ ক্ষেত্ৰত এজাহাৰ, অভিযোগনামা, চূড়ান্ত প্ৰতিবেদন আদি চিবিআইৰ বিশেষ ন্যায়াধীশৰ আদালতত দাখিল কৰিব লাগিব। একেদৰে চিবিআইৰ বিশেষ ন্যায়াধীশৰ আদালতে জামিন আবেদন, জিম্মাত  বিচৰা আবেদন আদি নিষ্পত্তিৰ দায়িত্ব চিবিআইৰ ২ আৰু ৩ নম্বৰ অতিৰিক্ত আদালতক অৰ্পন কৰিব পাৰিব।

০০০

প্ৰথিতযশা শিল্পী, অভিনেতা, পৰিচালক আৰু নাট্যকাৰ কুলদা কুমাৰ ভট্টাচাৰ্যলৈ আজি গুৱাহাটী মহানগৰীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছত বিশিষ্ট অভিনেতা-পৰিচালকজনৰ ইচ্ছা অনুযায়ী গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত তেওঁৰ দেহ দান কৰা হয়। চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ হৈ মহাবিদ্যালয়খনৰ অধ্যক্ষই মৰ্যাদা সহকাৰে মৰণোত্তৰ দেহ গ্ৰহণ কৰে। উল্লেখযোগ্য যে ভট্টাচাৰ্যই  ইলোৰা বিজ্ঞান মঞ্চৰ জৰিয়তে ২০১০ চনত আৰু ২০২২ চনত চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষ সাধন আৰু মানৱ কল্যাণৰ হকে মৰণোত্তৰ দেহ দানৰ শেষ ইচ্ছা পত্ৰত স্বাক্ষৰ কৰিছিল। প্ৰয়াত শিল্পীজনৰ বিজ্ঞান মনস্ক সিদ্ধান্তই অন্যান্য সকলোকে দেহ দানৰ প্ৰতি আগ্ৰহান্বিত কৰিব বুলি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

০০০

বিশিষ্ট সাহিত্যিক, ৰাজনীতিবিদ, অভিনেতা, নাট্যকাৰ তথা  পৰিচালক প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ ওপজা দিনৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন ঠাইত কিতাপৰ দিন উদ্‌যাপন কৰা হৈছে। গুৱাহাটীৰ উজানবজাৰত থকা কুমাৰ ভাস্কৰ নাট্য মন্দিৰত সন্ধিয়া ৬ বজাত আয়োজিত অনুষ্ঠানত সাংবাদিক নিত্য বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত লক্ষ্যধৰ চৌধুৰী ৰচিত ‘মোৰ অভিনেতা জীৱনৰ কাহিনী আৰু ভগৱান শ্ৰীকৃষ্ণ’ গ্ৰন্থখন উন্মোচন কৰাৰ লগতে অনুৰাধা দাস ৰচিত **জীৱনৰ বাটে ঘাটে** শীৰ্ষক গ্ৰন্থখনো উন্মোচন কৰা হ'ব।

০০০

চিবিআই বিশেষ আদালতে ট্ৰেডিং কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ৪ জন অভিযুক্তক আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। এই ৪জন অভিযুক্ত হৈছে  বিশাল ফুকন, ৰঞ্জিত কাকতি,  অভিজিৎ চান্দ আৰু স্বপ্ননীল দাস। পূৰ্বৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই আজি চাৰিওজন অভিযুক্তক আদালতত হাজিৰ কৰোৱায়। পাছত আদালতে আটাইকেইজনকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। অহা ১৩ নৱেম্বৰত চাৰিওজন অভিযুক্তক পুনৰ চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰোৱাব লাগিব।

০০০

ৰাজ্যৰ বিভিন্ন ঠাইত শৰৎ পূৰ্ণিমা উপলক্ষে ৰাসৰ আয়োজন কৰা হৈছে। মাজুলীৰ বিভিন্ন সত্ৰ আৰু নামঘৰসমূহত ভক্তিপ্ৰাণ বৈষ্ণৱ সমাজে শ্ৰীকৃষ্ণৰ শিশুলীলা আৰু ৰাসলীলাৰ আখৰা অব্যাহত ৰাখিছে। জিলাখনত সৰ্বমুঠ ৬৫ খন ৰাস প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। মাজুলীত ৰাসৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা বিকাশ শইকীয়া –

-বাইট-

ইফালে, নুমলীগড়ৰ পাৰ্শ্বৱৰ্তী তেলগৰমত তিনিদিনীয়া কাৰ্যসূচীৰে ৰাসলীলাৰ আয়োজন কৰা হৈছে। প্ৰথমদিনা শিশু শিল্পীৰ দ্বাৰা অভিনীত যুৱৰাজ কংস, দ্বিতীয় দিনা মহিলা শিল্পীৰ দ্বাৰা মহাৰাজ কংস আৰু অন্তিমদিনা কংস বধ ৰাস নাটৰ প্ৰদৰ্শন কৰা হ’ব। ইফালে, নামনি অসমতো পলাশবাৰী, মিৰ্জা, ৰামপুৰ, ছয়গাঁও, নলবাৰী, টিহু, মাখিবাহা, শুৱালকুছি ইত্যাদি ঠাইত পুতলা ৰাসৰ  আয়োজন কৰা হৈছে।

০০০

ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ দিনা পুৱা ১০ বজাত **লুইতৰ পৰা মিছিচিপিলৈ** শীৰ্ষক অসম ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে এই প্ৰতিযোগিতা আয়োজন কৰিছে। ইপিনে, একেদিনাই বিয়লি ২ বজাৰ পৰা বীৰেন্দ্ৰ নাথ দত্ত বিষয়ক **সাতোখন সুৰীয়া নৈ** শীৰ্ষক মুকলি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সহযোগত ইনলি ফাউণ্ডেচনে এই প্ৰতিযোগিতাখন আয়োজন কৰিছে। ৩ নৱেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত দুয়োখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ৫ ৰ পৰা ১১ নৱেম্বৰলৈ দুলীয়াজানৰ বিহুতলীত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। এই গ্ৰন্থমেলাত অসমৰ ভালেমান আগশাৰীৰ প্ৰকাশন গোষ্ঠীৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাটাও প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব। পৰিষদে জনোৱা অনুসৰি গ্ৰন্থমেলাৰ বাকৰিত ভিন ভিন সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীও গ্ৰহণ কৰা হ'ব।

০০০

কামৰূপ জিলাৰ হাজো অঞ্চলৰ দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি অনুষ্ঠান আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। মহাৰজত জয়ন্তী উপলক্ষে পুৱাৰ ভাগত পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, ভূমিদাতাক স্মৰণ ইত্যাদি কাৰ্যসূচীৰ লগতে বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অভিনেতা চম্পক শৰ্মাই এই শোভাযাত্ৰা উদ্বোধন কৰে। শোভাযাত্ৰাৰ পাছত অনুষ্ঠিত মূল সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং ননীগোপাল মহন্তই কয় যে জীৱনৰ ক্ৰুতি বিচ্যুতিসমূহৰ সন্মুখীন হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষকে জীৱনবোধৰ শিক্ষা দিব লাগে। ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে আজিৰ অনুষ্ঠানত সভাপতিত্ব কৰে।

০০০

দীপাৱলীৰ উছাহৰ মাজতে ৰাজ্যৰ  বিভিন্ন প্ৰান্তৰ পৰা অগ্নিকাণ্ড আৰু দুৰ্ঘটনাৰ বাত ৰি আমালৈ আহি আছে।

যোৰহাট নগৰত কালি সংঘটিত এটা অগ্নিকাণ্ডত এজন লোক জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুবৰণ কৰাৰ লগতে কেইবাটাও বাসগৃহ আৰু দোকান, গুদাম আদি ভস্মীভূত হয়। মৃত লোকজনক বিহাৰৰ  সুশিল ৰায় বুলি চিনাক্ত কৰা হয়।

ইফালে শিৱসাগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দিচাং দলঙৰ সমীপত সংঘটিত এটা পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহীৰ থিতাতে মৃত্যু হয়। এখন ট্ৰাকে পিছফালৰ পৰা খুন্দিওৱাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়।

আনহাতে, দেৰগাঁৱৰ কুৱালগুৰি পুৰণি চেনীকলৰ সমীপত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত বোকাখাটৰ নিৱাসী নয়নজ্যোতি হাজৰিকা নামৰ লোকজন থিতাতে নিহত হয়। এই দুৰ্ঘটনাত আহত এজন লোকক যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে। এখন ডাম্পাৰে দুচকীয়া বাহনেৰে আহি থকা আৰোহী দুজনক খুন্দিওৱাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হয়।

ডিব্ৰুগড় জিলাৰ দুলিয়াজানত সংঘটিত আন এটা পথ দুৰ্ঘটনাত অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ ভাদৈ উপশাখা সমিতিৰ উপ সভাপতি শিৱা কিষাণ নিহত হয়। পথৰ দাঁতিৰে খোজকাঢ়ি গৈ থকা ছাত্ৰ নেতাগৰাকী বিপৰীতে দিশৰ পৰা অহা এখন তীব্ৰবেগী দুচকীয়া  বাহনেৰে খুন্দিওৱাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হোৱা দুজন লোকক  অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

০০০

গোসাইগাওঁ মহকুমাৰ কচুগাওঁ থানাৰ টাকামপুৰত আৰক্ষী আৰু এছ এছ বিয়ে যৌথ অভিযান চলাই দুটা বন্দুক উদ্ধাৰ কৰিছে। উল্লেখযোগ্য যে কচুগাওঁ থানাৰ অন্তৰ্গত ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যানৰ টাকামপুৰৰ

হাবিৰ মাজত চোৰাংচোৱাই দুৰ্বৃত্তই এই অস্ত্ৰ শস্ত্ৰ খিনি লুকাই ৰখাৰ তথ্য লাভ কৰাৰ পাছতেই এই অভিযান চলোৱা হয়। ঘটনা সংক্ৰান্তত বৰ্তমানলৈকে আৰক্ষীয়ে কোনো লোকক আটক কৰা নাই যদিও তদন্ত অব্যাহত আছে।

০০০

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা আটাইকেইটা উইকেট হেৰুৱাই ২৬৩ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ ২৮ ৰানৰ অগ্ৰগতি অতিক্ৰম কৰি আলহী দলটোৱে দ্বিতীয় ইনিংছত ১৭১ ৰান সংগ্ৰহ কৰি ১৪৩ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ২৩৫ ৰাণত প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচ্চেলে ৮২ আৰু উইল ইয়ঙে ৭১ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰ ৰবীন্দ্ৰ জাদেজাই পাঁচটা আৰু ৱাশ্বিংটন সুন্দৰে চাৰিটা উইকেট দখল কৰে। জাদেজাই কালিৰ প্ৰদৰ্শনৰ সুবাদত টেষ্ট  জাহিৰ খান আৰু ঈশান্ত শৰ্মাক চেৰ পেলাই ক্ৰিকেটৰ ইতিহাসত দেশৰ হৈ পঞ্চম সৰ্বাধিক উইকেট দখল কৰা বলাৰ হিচাপে পৰিগণিত হয়।

০০০

সমাপ্ত